জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৮৯/২০২১

## ৰাজ্যিক পৰ্যায়ৰ ‘দেশভক্তি দিৱস’ত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

# দেশভক্তি দিৱসে উঠি অহা প্ৰজন্মক ৰাষ্ট্ৰীয়তাবাদী ভাবনাৰে অনুপ্ৰাণিত কৰিব ঃ মুখ্যমন্ত্ৰী

## দেশভক্তি দিৱসে মহান স্বাধীনতা সংগ্ৰামীসকলৰ কৰ্মৰাজি আৰু আদৰ্শৰ সম্পৰ্কে চিন্তা-চৰ্চ্চা কৰাৰ পৰিৱেশ ৰচনা কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ জুলাই ঃ** আজি গুৱাহাটীৰ ভৰলুমুখস্থিত দেশভক্ত তৰুণৰাম ফুকন উদ্যানত ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগে আয়োজন কৰা ৰাজ্যিক পৰ্যায়ৰ ‘দেশভক্তি দিৱস’ত অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে দেশভক্ত তৰুণৰাম ফুকনৰ জীৱন আৰু আদৰ্শৰাজি সম্পৰ্কে জনসাধাৰণক অধিক সজাগ কৰা আৰু ৰাষ্ট্ৰীয়তাবাদী ধাৰণাৰে যুৱ প্ৰজন্মক অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যেৰে অসম চৰকাৰে প্ৰতি বছৰে আজিৰ দিনটো ‘দেশভক্তি দিৱস’ হিচাপে পালন কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে।

‘দেশভক্তি দিৱস’ৰ আয়োজনে ইতিহাসৰ বহু অৱহেলিত অধ্যায় লোকচক্ষুৰ সন্মুখলৈ আনিবলৈ সক্ষম হ’ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে দেশভক্ত তৰুণৰাম ফুকন আৰু কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ ৰাজ্যখনত দেশৰ স্বাধীনতা সংগ্ৰামৰ অন্যতম পথিকৃৎ আছিল। দেশৰ স্বাধীনতা সংগ্ৰামলৈ দেশভক্ত গৰাকীৰ অৱদানৰ কথা আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি হিচাপে ৰাজ্যত তৰুণৰাম ফুকনে স্বাধীনতা সংগ্ৰামৰ নেতৃত্ব বহন কৰাৰ লগতে তেওঁ ১৯২১ চনৰ গান্ধীজীৰ অসম ভ্ৰমণ তথা দেশৰ স্বাধীনতা আন্দোলনত বহু দিশৰ পৰা গুৰুত্বপূৰ্ণৰূপে বিবেচিত ১৯২৬ চনৰ কংগ্ৰেছৰ পাণ্ডু অধিৱেশনৰ মূল চালিকা শক্তি আছিল।

দেশভক্ত তৰুণৰাম ফুকনক এগৰাকী দূৰদৰ্শী নেতা আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁ সদায় ৰাজ্যবাসীৰ স্বাৰ্থৰ হকে থিয় দিছিল। কংগ্ৰেছ নেতৃত্বৰ সৈতে হোৱা মত বিৰোধৰ বাবে দল ত্যাগ কৰি ১৯৩৬ চনত তেওঁ ‘অসম জন সংঘ’ গঠন কৰিছিল। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে কংগ্ৰেছ দলে দেশভক্তৰ দূৰদৃষ্টি উপলব্ধি কৰি যদিহে সেই সময়তে প্ৰাদেশিক চৰকাৰত অংশ লোৱাত সন্মতি প্ৰদান কৰিলেহেঁতেন তেন্তে ৰাজ্যৰ ইতিহাস আৰু জনগাঁথনি আজি সম্পূৰ্ণ পৃথক হ’লহেঁতেন।

দেশভক্তই যোগ্য সন্মানৰ পৰা অতবছৰে বঞ্চিত হৈ ৰ'ল বুলি মন্তব্য কৰি ড° শৰ্মাই কয় যে তেওঁৰ অৱদানক স্বীকৃতি দিয়াৰ লগতে স্মৃতি চিৰযুগমীয়া কৰিবলৈ অসম চৰকাৰে 'দেশভক্তি দিৱস'ৰ দৰে পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে তদুপৰি কয় যে 'দেশভক্তি দিৱসে' তৰুণৰাম ফুকনৰ লগতে নবীন চন্দ্ৰ বৰদলৈ, গোপানীথ বৰদলৈ, বিষ্ণুৰাম মেধীৰ দৰে মহান স্বাধীনতা সংগ্ৰামীসকলৰ কৰ্মৰাজি আৰু অৱদানৰ সম্পৰ্কে চিন্তা-চৰ্চা কৰাৰ বিশেষ সুযোগ প্ৰদান কৰিব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত অসম চৰকাৰৰ অষ্টমখন কেবিনেট বৈঠকত প্ৰতিবছৰৰ ২৮ জুলাই তাৰিখে দেশভক্তি দিৱস আয়োজনৰ সিদ্ধান্ত লোৱা হৈছিল যাতে এই দিৱসে দেশভক্তগৰাকীৰ স্বাধীনতা সংগ্ৰামলৈ আগবঢ়োৱা অৱদান আৰু ৰাজ্যৰ সমাজ জীৱনত তেখেতৰ ভূমিকাৰ বিষয়ে অধিক জন সজাগতা বিয়পোৱাৰ পৰিৱেশ ৰচনা কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ সৈতে ৰাজ্যত স্বাধীনতা আন্দোলনক নেতৃত্ব প্ৰদান কৰা তৰুণৰাম ফুকন ৰাজনীতি আৰু ওকালতিৰ লগতে সাহিত্য আৰু সমাজ জীৱনৰ প্ৰতি অনুৰক্ত আছিল। অসম সাহিত্য সভাৰ লগতে অসম ছাত্ৰ সন্মিলনী আৰু কংগ্ৰেছৰো সভাপতি আছিল। মন্ত্ৰী হাজৰীকাই কয় যে সাম্প্ৰতিক ক'ভিড পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে অনুষ্ঠুপীয়াকৈ এই বছৰ জনতা ভৱন আৰু জিলা উপায়ুক্তৰ কাৰ্যালয়সমূহৰ লগতে ৰাজ্যিক পৰ্যায়ত গুৱাহাটীৰ ভৰলুমুখত দেশভক্তি দিৱস আয়োজন কৰিছে। ইতিমধ্যে পৰিয়ালৰ সৈতে আলাপ-আলোচনা কৰাৰ লগতে ভৱিষ্যতে জনসাধাৰণৰ লগত আলাপ-আলোচনাৰ মাধ্যমেদি এই দিৱস কেনেদৰে তৃণমূল পৰ্যায়লৈ লৈ যাব পৰা যায় তাৰ বাবে প্ৰয়াস অব্যাহত থাকিব।

আজিৰ অনুষ্ঠানত দেশভক্তৰ নাতি হেমেন্দ্ৰ ৰাম ফুকনে বক্তব্য প্ৰদান কৰি মহান স্বাধীনতা সংগ্ৰামীগৰাকীৰ ঘটনা বহুল জীৱনৰ বহু অদেখা অধ্যায়ৰ কথা উল্লেখ কৰে।

আনহাতে 'দেশভক্তি দিৱস'ৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰীয়ে ভৰলুমুখৰ তৰুণৰাম ফুকন উদ্যানত দেশভক্ত গৰাকীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি জ্ঞাপন কৰি শ্ৰদ্ধা নিবেদন কৰে।

আজিৰ অনুষ্ঠানৰ আৰম্ভণিতে অসম মিজোৰাম সীমান্তত ৰাজ্যৰ সাংবিধানিক সীমা সুৰক্ষাৰ দায়িত্বত নিয়োজিত হৈ থকা অৱস্থাত প্ৰাণাহুতি দিয়া অসম আৰক্ষীৰ বীৰ শ্বহীদসকলৰ সোঁৱৰণত দুই মিনিটৰ মৌন প্ৰাৰ্থনা কৰা হয়।

তথ্য আৰু জনসংযোগ বিভাগৰ সচিব নীৰা গগৈ সোণোৱাল, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগু, তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক অনুপম চৌধুৰী, দেশভক্তৰ আন এগৰাকী নাতি জীতেন্দ্ৰ ৰাম ফুকন, নাতিনী ক্ৰমে বাণী গোস্বামী, মিনতি খাউণ্ড আৰু ইন্দ্ৰানী বৰুৱাৰ লগতে পৰিয়ালৰ কেইবাগৰাকী সদস্য আজিৰ অনুষ্ঠানত উপস্থিত থাকে।

**বীঃগঃ**

**২৮/০৭/২০২১**